**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 09-07-2024**
**Time : 19-10 Hrs**

# ASSAMESE EVENING BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অনাগত সময়ত ভাৰত আৰু ৰাছিয়াৰ মাজৰ সম্পৰ্ক অধিক সুদৃঢ় হ'ব বুলি বিশ্বাস ব্যক্ত কৰিছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰীয় বিজ্ঞান শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠান, এন আই এছ ই আৰৰ শিক্ষাৰ্থীসকলক মানৱতা আৰু ৰাষ্ট্ৰৰ বাবে নিজৰ শিক্ষা আৰু জ্ঞানৰ ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে।

৩। কেন্দ্ৰীয় শক্তি, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী মনোহৰ লাল খট্টাৰে কৈছে যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শীঘ্ৰে অসমৰ বান প্ৰভাৱিত সকলৰ বাবে সাহায্য আৰু পুনৰ সংস্থাপন পেকেজ ঘোষণা কৰিব।

৪। দেশত ২০২৩-২৪ বৰ্ষত প্ৰথমবাৰৰ বাবে খাদী আৰু গ্ৰামোদ্যোগৰ সামগ্ৰীৰ বিক্ৰী ১ লাখ ৫৫ হাজাৰ কোটি টকাৰো অধিক হৈছে। *আৰু*

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মহিলা ক্ৰিকেট দলৰ মাজৰ তিনিখনীয়া টি টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল চেন্নাইত অনুষ্ঠিত হৈছে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অনাগত সময়ত ভাৰত আৰু ৰাছিয়াৰ মাজৰ সম্পৰ্ক অধিক সুদৃঢ় হ'ব বুলি বিশ্বাস ব্যক্ত কৰিছে। ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ পুটিনৰ সৈতে আজি হোৱা বৈঠকৰ সময়ত শ্ৰীমোদীয়ে কয় যে, প্ৰায় ১০ বছৰৰ ভিতৰত তেওঁলোক দুয়ো ১৭ বাৰকৈ বৈঠকত মিলিত হৈছে আৰু বিগত ২৫ বছৰত তেওঁলোকৰ মাজত প্ৰায় ২২ লানি দ্বিপাক্ষিক আলোচনা অনুষ্ঠিত হৈছে। তেঁও কয় যে যোৱা ৪০-৫০ বছৰত ভাৰত সন্ত্ৰাসবাদৰ সন্মুখীন হৈছে। সকলো ধৰণৰ সন্ত্ৰাসবাদক গৰিহণা দি শ্ৰীমোদীয়ে কয় যে, তেওঁ মস্কোত সংঘটিত সন্ত্ৰাসবাদৰ ব্যথা বাৰুকৈ অনুভৱ কৰিব পাৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, বিশ্ব বিগত ৫ বছৰত ক'ৰিড-১৯ আৰু বিভিন্ন ধৰণৰ সংঘৰ্ষৰ বাবে ভিন ভিন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। ভাৰত ৰাছিয়া সহযোগিতাৰ প্ৰশংসা কৰি শ্ৰীমোদীয়ে কয় যে, দেশখনে ভাৰতীয় খেতিয়ক আৰু গ্ৰাহকসকলক যথেষ্ট সহায় কৰিছে। তেওঁ কয় যে, সমগ্ৰ বিশ্ব ইন্ধনৰ সমস্যাৰ সন্মুখীন হোৱাৰ সময়ত ৰাছিয়াৰ সহায়ত ভাৰতে জনসাধাৰণক পেট্ৰল আৰু ডিজেলৰ চাহিদা পূৰণ কৰিবলৈ সমৰ্থ হৈছে। ইন্ধনৰ ক্ষেত্ৰত ভাৰত আৰু ৰাছিয়া চুক্তিয়ে আন্তৰ্ৰাষ্ট্ৰীয় বজাৰত সুস্থিৰতা অনাৰ ক্ষেত্ৰত বৃহৎ ভূমিকা পালন কৰাৰ কথা বিশ্বই স্বীকাৰ কৰা উচিত বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে মস্কোত থকা অজ্ঞাত সৈনিকৰ সমাধিত শ্ৰদ্ধাৰ্ঘ নিবেদন কৰে। অজ্ঞাত সৈনিকৰ সমাধি মস্কোৰ ক্ৰেমলীন প্ৰাচীৰত অৱস্থিত এটা বিখ্যাত যুদ্ধস্মাৰক। এই স্মাৰক দ্বিতীয় বিশ্ব যুদ্ধৰ সময়ত প্ৰাণ হেৰুওৱা ছোভিয়েট সৈনিকসকলৰ প্ৰতি সমৰ্পিত।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মস্কোৰ অল ৰাছিয়ান প্ৰদৰ্শনী কেন্দ্ৰ পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে তেওঁক সংগ দিয়ে। দুয়োগৰাকী নেতাই প্ৰদশনী কেন্দ্ৰ ৰোস্তোম পেভিলিয়ন পৰিদৰ্শন কৰে। শ্ৰীমোদীয়ে অসামৰিক পাৰমানৰিক শক্তি ক্ষেত্ৰত ভাৰত ৰাছিয়াৰ মাজত সহযোগিতাৰ নামত উৎসৰ্গিত এখন ফটো প্ৰদৰ্শনী চায়। শ্ৰীমোদী ভাৰতৰ কুদনকুলম পাৰমানৱিক শক্তি প্ৰকল্পৰ মূল কেন্দ্ৰস্বৰূপ ভি ভি ই আৰ থাউজেণ্ড ৰিয়েক্টৰৰ স্থায়ী আৰ্হি পাৰমানৰিক চিম্ফনিলৈও যায়। প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতীয় আৰু ৰাছিয়াৰ শিক্ষাৰ্থীসকলৰ এটা গোটৰ সৈতে মত বিনিময়ো কৰে। তেওঁ শিক্ষাৰ্থীসকলক বিজ্ঞান আৰু প্ৰযুক্তি ক্ষেত্ৰৰ সম্ভাৱনাৰ অন্বেষণ কৰিবলৈ উৎসাহিত কৰে।

০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰীয় বিজ্ঞান শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠান, এন আই এছ্ ই আৰৰ শিক্ষাৰ্থীসকলক মানৱতা আৰু ৰাষ্ট্ৰৰ বাবে নিজৰ শিক্ষা আৰু জ্ঞানৰ ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে। ওড়িশাৰ ভূৱনেশ্বৰত আজি বিয়লি এন আই এছ্ ই আৰৰ ত্ৰয়োদশ স্নাতক সমাৰোহত ভাষণ দি ৰাষ্ট্ৰপতিগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। এই উপলক্ষে ৰাষ্ট্ৰপতি মুৰ্মুৱে শিক্ষাৰ্থীসকলক নিজ নিজ ক্ষেত্ৰত শ্ৰেষ্ঠত্ব উজাৰি দি দেশৰ হকে প্ৰশংসা বুটলিবলৈ আহ্বান জনায়। শিক্ষাক অমৃতৰ সমান বুলি উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, প্ৰসিদ্ধ ভাৰতীয় পদাৰ্থবিজ্ঞানী চাৰ চি ভি ৰমণ আৰু জ্যোতিৰ্বিদ, গণিতজ্ঞ তথা বিদ্যান পাথানি চামন্তৰ দৰে চিৰস্মৰণীয় ব্যক্তিসকলক গঢ় দিয়াত শিক্ষাৰ অৱদান অতুলনীয়। শ্ৰীমতী মুৰ্মুৱে অৱশ্যে শিক্ষাৰ্থীসকলক অধ্যয়ন আৰু গৱেষণাৰ সময়ত বিজ্ঞান আৰু প্ৰযুক্তিৰ অপব্যৱহাৰ সম্পৰ্কে সতৰ্ক কৰি দিয়ে কিয়নো ইয়াৰ ফলত মানৱ জাতিলৈ বিনাশ নামি আহিব পাৰে। ৰাষ্ট্ৰপতিগৰাকী ৰথযাত্ৰা আৰু অন্যান্য অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে ৪ দিনীয়া ভ্ৰমণসূচীৰে শনিবাৰৰ পৰা গৃহৰাজ্য ওড়িশাত আছে। তেওঁ আজি সন্ধিয়া নতুন দিল্লীলৈ উভতি যাব।

০০০

কেন্দ্ৰীয় শক্তি, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী মনোহৰ লাল খট্টাৰে কৈছে যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শীঘ্ৰে অসমৰ বান প্ৰভাৱিত সকলৰ বাবে সাহায্য আৰু পুনৰ সংস্থাপন পেকেজ ঘোষণা কৰিব। গুৱাহাটীত আজি উত্তৰ পূৰ্বাঞ্চলৰ শক্তি আৰু নগৰ পৰিক্ৰমা মন্ত্ৰীসকলৰ পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰ অসমৰ বান প্ৰভাৱিত লোকসকলক সহায় কৰিবলৈ বদ্ধপৰিকৰ। তেওঁ কয় যে ৰাজ্যখনত ক্ষয় ক্ষতিৰ মূল্যায়ন প্ৰক্ৰিয়া অব্যাহত আছে আৰু মূল্যায়ন সম্পূৰ্ণ হোৱাৰ পাছত প্ৰধানমন্ত্ৰীয়ে সাহায্য পেকেজ ঘোষণা কৰিব।

০০০

দেশত ২০২৩-২৪ বৰ্ষত প্ৰথমবাৰৰ বাবে খাদী আৰু গ্ৰামোদ্যোগৰ সামগ্ৰীৰ বিক্ৰী ১ লাখ ৫৫ হাজাৰ কোটি টকা হৈছে। নতুন দিল্লীত আজি খাদী আৰু গ্ৰামোদ্যোগ আয়োগৰ অধ্যক্ষ মনোজ কুমাৰে এখন সংবাদ মেলত কয় যে, ২০১৩-১৪ বৰ্ষত এই সামগ্ৰীসমূহৰ বিক্ৰী প্ৰায় ৩১ হাজাৰ কোটি টকা আছিল। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত খাদী আৰু গ্ৰামোদ্যোগ সামগ্ৰীৰ উৎপাদন, বিক্ৰী আৰু কৰ্মসংস্থাপনৰ ক্ষেত্ৰত এটা নতুন অভিলেখ গঢ়িছে। শ্ৰীকুমাৰে কয় যে, বৰ্তমান যুৱ প্ৰজন্মৰ মাজত খাদী সামগ্ৰীসমূহে বিশেষ সমাদৰ লাভ কৰিছে। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী মোদীৰ ব্ৰেণ্ড শক্তিয়ে খাদী সামগ্ৰীৰ ক্ষেত্ৰত জনসাধাৰণৰ বিশ্বাস বৃদ্ধি কৰিছে। তেওঁ লগতে কয় যে,

গ্ৰামাঞ্চলত খাদী আৰু গ্ৰামোদ্যোগে সৰ্বাধিক কৰ্মসংস্থাপন দিবলৈ সক্ষম হৈছে। শ্ৰীকুমাৰে জানিবলৈ দিয়া মতে, ২০১৩-১৪ বৰ্ষত খাদী আৰু গ্ৰামোদ্যোগ খণ্ডত কৰ্মসংস্থাপন আনুমানিক এক কোটি ৩০ লাখ আছিল আৰু ২০২৩-২৪ বৰ্ষত এই কৰ্মসংস্থাপন ১ কোটি ৮৭ লাখলৈ বৃদ্ধি হৈছে।

০০০

কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে এটা সহযোগিতামূলক শিক্ষা ব্যৱস্থা গঢ়ি তোলাৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক আহ্বান জনাইছে। নতুন দিল্লীত আজি কেন্দ্ৰীয় শাসিত শিক্ষা আৰু সাক্ষৰতা বিভাগসমূহৰ পৰ্যালোচনা বৈঠক মুকলি কৰি শ্ৰীপ্ৰধানে অনাগত ৫ বছৰত বিদ্যালয়সমূহৰ শিক্ষাৰ মানদণ্ডৰ বিকাশ সাধনৰ সন্দৰ্ভত তেওঁৰ চিন্তাধাৰা প্ৰকাশ কৰি এই আহ্বান জনায়। তেওঁ কৈছে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিকশিত ভাৰতৰ লক্ষ্যৰ বাবে শিক্ষা হৈছে এটা প্ৰধান স্তম্ভ আৰু তেওঁ কেন্দ্ৰীয় শাসিত অঞ্চল আৰু ৰাজ্যসমূহক এই লক্ষ্য সাধনৰ বাবে আহ্বান জনাইছে। তেওঁ কয় যে ভাৰতক জ্ঞানৰ মহাশক্তি হিচাপে গঢ়ি তোলা আৰু সকলোৱে যাতে গুণগত শিক্ষা লাভ কৰে তাৰ বাবে ৰাষ্ট্ৰীয় শিক্ষা নীতি ৰূপায়ণ কৰা হৈছে। ভাৰতীয় ভাষাসমূহত শিক্ষা লাভৰ সন্দৰ্ভত তেওঁ কয় যে ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ য়ে মাতৃভাষা আৰু সকলো ভাৰতীয় ভাষাত শিক্ষা লাভৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

০০০

কেন্দ্ৰীয় গ্ৰাহক সুৰক্ষা প্ৰাধীকৰণে ক'ৰিড-১৯ৰ বাবে ঘোষণা কৰা লকডাউনৰ ফলত প্ৰভাৱিত গ্ৰাহকসকলক বুকিঙৰ ধনৰাশি ঘুৰাই দিবলৈ অনলাইন ভ্ৰমণ মঞ্চ য়াত্ৰাক নিৰ্দেশ দিছে। গ্ৰাহক পৰিক্ৰমা মন্ত্ৰালয়ে কৈছে যে, গ্ৰাহক সুৰক্ষা প্ৰাধিকৰণে ৰাষ্ট্ৰীয় উপভোক্তা হেল্পলাইনৰ জৰিয়তে বাতিল কৰা বিমান টিকটৰ ধনৰাশি ঘুৰাই নিদিয়া সন্দৰ্ভত ভালেমান অভিযোগ লাভ কৰিছে। ২০২০ চনত উচ্চতম ন্যায়ালয়ে লকডাউনৰ সময়ছোৱাত ভ্ৰমণ অভিবৰ্তাৰ জৰিয়তে বুক কৰা টিকটৰ ধন ঘুৰাই দিবলৈ বিমান সেৱা প্ৰতিষ্ঠানসমূহক নিৰ্দেশ দিছিল।

০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মহিলা ক্ৰিকেট দলৰ মাজৰ তিনিখনীয়া টি টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত হৈছে। খেলখনত ভাৰতে টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লৈছে। দক্ষিণ আফ্ৰিকাই আমালৈ বাতৰি অহাৰ পৰলৈকে এক অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ৬ ৰাণ কৰি খেলি আছিল।

০০০

**ঃঃ সমাপ্ত ঃঃ**